জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

প্ৰেছ বাৰ্তা নং ঃ ২৩২/২০২২

## স্বাস্থ্য বিভাগে আৰম্ভ কৰিব ব্যাপক প্ৰতিষেধক অভিযান

# ৰাজ্যজুৰি আয়োজিত হ'ব স্বাস্থ্য উৎসৱ ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১১ আগষ্ট ঃ** টিকাকৰণ প্ৰক্ৰিয়াৰ স্বাভাৱিক অভিযানত বাদ পৰা লোকসকলক ক'ভিড আৰু অন্যান্য নিয়মীয়া প্ৰতিষেধক প্ৰদানৰ বাবে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগে ৰাজ্যজুৰি এক বৃহৎ প্ৰতিষেধক অভিযান আৰম্ভ কৰিব।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত আজি জনতা ভৱনত অনুষ্ঠিত স্বাস্থ্য বিভাগৰ এক পৰ্যালোচনামূলক বৈঠকত অক্টোবৰৰ পৰা মাৰ্চ মাহলৈকে সমগ্ৰ ৰাজ্যখনতে প্ৰতিষেধক অভিযান অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। শিশুকে ধৰি সকলো শ্ৰেণীৰ লোকক এই বিশেষ প্ৰতিষেধক অভিযানৰ অধীনত আনিবলৈ বৈঠকতে সিদ্ধান্ত লোৱা হয়। এই বিশেষ অভিযানৰ অধীনত যিসকল শিশুক ক'ভিড-১৯ মহামাৰীৰ বাবে নিয়মীয়াকৈ প্ৰতিষেধক প্ৰদান কৰিব পৰা হোৱা নাছিল তেওঁলোকক চিকিৎসকৰ পৰামৰ্শ অনুসৰি প্ৰতিষেধক প্ৰদান কৰিবলৈও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে।

বৈঠকত মুখ্যমন্ত্ৰীয়ে স্বাস্থ্য বিভাগক জন্ম আৰু মৃত্যুৰ প্ৰমাণপত্ৰ প্ৰদানৰ বাবে ডিজিটেল ব্যৱস্থা এটি আৰম্ভ কৰিবলৈ কয়। তেওঁ লগতে কয় যে এই ব্যৱস্থা এনেকুৱা হ'ব লাগে যাতে চিকিৎসালয়ৰ পৰা যোৱাৰ লগে লগে পিতৃ-মাতৃয়ে নিজ সন্তানৰ জন্মৰ প্ৰমাণপত্ৰ লাভ কৰাটো সুনিশ্চিত কৰিব পৰা যায়। ঠিক একেদৰে এই ব্যৱস্থাৰ জৰিয়তে উত্তৰাধিকাৰীয়ে যাতে মৃত্যুৰ প্ৰমাণপত্ৰ লাভ কৰাটো সুনিশ্চিত কৰিব পৰা যায়।

তেওঁ কয় যে অংগ সংৰোপণ সুবিধাৰ বাবে ৰাজ্যত এক শক্তিশালী অংগ সংৰোপণ নেটৱৰ্ক ব্যৱস্থা গঢ়ি তোলা হ'ব। তেওঁ লগতে কয় যে এই ব্যৱস্থাৰ জৰিয়তে বহু মূল্যৱান জীৱন ৰক্ষা কৰাত সহায়ক হৈ উঠিব। মুখ্যমন্ত্ৰীয়ে কয় যে স্বেচ্ছামূলক ৰক্তদানৰ বাবে মানুহৰ মাজত জাগৰণৰ সৃষ্টি কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হ'ব। চাহ বাগিছা অঞ্চলসমূহত প্ৰসূতিজনিত মৃত্যুৰ হাৰ অধিক হোৱাৰ পৰিপ্ৰেক্ষিতত স্বেচ্ছামূলক ৰক্তদানৰ বাবে বিশেষ সজাগতা অভিযান চলোৱা উচিত বুলি তেওঁ কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ উদ্যোগত এক হাজাৰ স্বেচ্ছাসেৱকক সক্ৰিয়ভাৱে জড়িত কৰি তিনিদিনীয়াকৈ স্বাস্থ্য উৎসৱৰ আয়োজন কৰা হ'ব। ইয়াৰে ৫০০ গৰাকী স্বাস্থ্য বিভাগৰ আৰু আন ৫০০ গৰাকী অন্যান্য ক্ষেত্ৰৰ পৰা অনা হ'ব। স্বাস্থ্য উৎসৱৰ ফটোসমূহ লাইভ এপত আপলোড কৰিব লাগিব। স্বাস্থ্য উৎসৱত স্বাস্থ্য সেৱাৰ সুবিধাৰ লগত সংলগ্ন সেৱা যেনে খোৱা পানী, স্বাস্থ্য আন্তঃগাঁথনিৰ সুবিধা আদি বিষয়সমূহৰ ওপৰতো আলোকপাত কৰা হ'ব। ৰাজ্যখনত ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ কমেও পাঁচটা আঞ্চলিক কাৰ্যালয় থাকিব। এনে প্ৰতিটো কাৰ্যালয় এগৰাকী এচিএছ বিষয়াৰ তত্ত্বাৱধানত পৰিচালিত

হ'ব। তেওঁলোকক এই ক্ষেত্ৰত স্বাস্থ্য ক্ষেত্ৰৰ বিশেষজ্ঞ ব্যক্তিয়ে সহায় কৰিব। এই দলটোৱে নিজ এলেকাৰ স্বাস্থ্য সূচকৰ উন্নতিৰ বাবে কাম কৰিব বুলিও তেওঁ কয়। এন এইছ এমে দুৰ্গম অঞ্চলসমূহৰ স্বাস্থ্য সেৱাৰ অসুবিধাসমূহ মূল্যায়ন কৰাৰ লগতে স্বাস্থ্য সেৱা অধিক সুলভ কৰি তোলাৰ বাবে উন্নত মানৰ পথ নিৰ্মাণৰ বাবে লোকনিৰ্মাণ বিভাগৰ সৈতে সমন্বয় সাধনেৰে কাম কৰিবলৈও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগে সমাজ কল্যাণ বিভাগৰ মহিলা আৰু শিশু উন্নয়ন খণ্ডৰ সৈতে অধিক ঘনিষ্ঠভাৱে কাম কৰি মহিলা আৰু শিশুৰ স্বাস্থ্যৰ বাবে পুষ্টিকেন্দ্ৰসমূহ অধিক শক্তিশালী কৰি তুলিব লাগিব। ৰোগীসকলৰ সুবিধাৰ বাবে অসম চিকিৎসা সেৱা নিগম লিমিটেড চমুকৈ এ এম এছ চি এলৰ গাঁথনি সমগ্ৰ ৰাজ্যতে সম্প্ৰসাৰণ কৰাৰ লগতে চিকিৎসালয়সমূহত ফাৰ্মাচীৰো ব্যৱস্থা কৰা হ'ব যাতে ৰোগীৰ বাবে ৰাজসাহায্যযুক্ত ঔষধ উপলব্ধ কৰিব পৰা যায়। মুখ্যমন্ত্ৰীয়ে কয় যে খাদ্য সুৰক্ষা আয়ুক্তালয়ক অধিক শক্তিশালী কৰি তোলা হ'ব।

আজিৰ এই বৈঠকত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহা, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ প্ৰধান সচিব অৱিনাশ যোশী আৰু অন্যান্য শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

**সুঃদঃ / পুঃডেঃ**
**১১/০৮/২০২২**